অধ্যায় ১০ঃ ভট্টদেৱ — *ভক্তি-বিবেক* - ১

অধ্যায় গাঁথনি

10.1 উদ্দেশ্য
10.2 পৰিচয়
10.3 ভট্টদেৱৰ জীৱন আৰু কৃতি
10.3.1 প্ৰকৰণ গ্ৰন্থৰ ৰচক হিচাপে ভট্টদেৱ
10.4 *ভক্তি-বিবেক*ৰ সাধাৰণ আভাস
10.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
10.6 অধিক জানিবলৈ
10.7 অগ্ৰগতিৰ খতিয়ান
10.8 আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বৈকুণ্ঠনাথ ভাগৱত ভট্টাচার্যৰ জীৱন আৰু কৃতিৰ পৰিচয় লাভ কৰিব
- অসমীয়া সাহিত্যত ভট্টদেৱৰ স্থান নির্ণয় কৰি প্ৰকৰণ গ্ৰন্থৰ ৰচক হিচাপে ভট্টদেৱক বিচাৰ-বিশ্লেষণ কৰিব পাৰিব
- *ভক্তি-বিবেক* পুথিখনৰ সম্যক পৰিচয় লাভ কৰিব
- ভট্টদেৱৰ *ভক্তি-বিবেক* গ্ৰন্থখনৰ মাজত কেনেদৰে দামোদৰপন্থী বৈষ্ণৱ সম্প্ৰদায়ৰ দর্শন আৰু তত্ত্ব প্ৰকাশিত হৈছে সেই বিষয়ে অৱগত হ'ব।

১০.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায় দুটাত আপুনি মাধৱদেৱৰ জীৱনৰ অন্যতম কৃতি *নামঘোষা* পুথিখনৰ বিষয়ে চমুকৈ অধ্যয়ন কৰাৰ লগতে *নামঘোষাৰ* প্ৰথম 50 কূট ঘোষা বিশেষভাৱে অধ্যয়ন কৰিলে। সেই দুটা অধ্যায়ৰ জৰিয়তে আপুনি অসমীয়া বৈষ্ণৱ সাহিত্যৰ ধাৰা সম্পর্কেও কিছু কথা অৱগত হ'ল। এই অধ্যায়টোত আপুনি অসমীয়া গদ্য সাহিত্যৰ জনক ভট্টদেৱ বা বৈকুণ্ঠনাথ ভাগৱত ভট্টাচার্যৰ জীৱন আৰু কৃতি সম্পর্কে বহলাই অধ্যয়ন কৰিব।

গুৰু দামোদৰদেৱৰ আজ্ঞাক স্বীকাৰ কৰি কথাশিল্পী ভট্টদেৱে পূর্ব প্ৰচলিত তথা পৰম্পৰাগত পদ্য-ৰীতিক পৰিহাৰ কৰি অত্যন্ত সাহসিকতাৰে গদ্য সাহিত্যৰ সৃষ্টিত হাত দিছিল। সেইবাবেই তেওঁক অসমীয়া গদ্য সাহিত্যৰ জনক বুলিও কোৱা যায়। তিনিখন পুথি গদ্যত লিখাৰ

উপৰি তেওঁ কেইবাখনো পুথি ৰচনা কৰিছিল। তাৰে ভিতৰত উল্লেখযোগ্য হ'ল *ভক্তি-বিবেক।* এইখন এখন প্ৰকৰণ গ্ৰন্থ। এই গ্ৰন্থখনত দমোদৰীয়া ভক্তিপন্থাৰ কিছু দিশ প্ৰতিফলিত হৈছে। আমাৰ আলোচ্য অধ্যায়টিত ভট্টদেৱৰ জীৱন আৰু কৃতিৰ বিষয়ে চমুকৈ আলোচনা কৰি প্ৰকৰণ গ্ৰন্থৰ প্ৰণেতা হিচাপে ভট্টদেৱক আলোচনা কৰা হ'ব। লগতে *ভক্তি-বিবেক* পুথিখনৰ ধৰ্মতত্ত্ব সম্পৰ্কে সম্যক পৰিচয়ো অধ্যায়টোত সন্নিৱিষ্ট কৰা হ'ব।

১০.৩ ভট্টদেৱৰ জীৱন আৰু কৃতি

মহাপুৰুষৰ অব্যৱহিত কালৰ প্ৰভাৱশালী কবিসকলৰ ভিতৰত ভট্টদেৱ অন্যতম। এওঁৰ পিতৃৰ নাম কবি সৰস্বতী। ভট্টদেৱৰ পিতৃ প্ৰদত্ত নাম বৈকুণ্ঠনাথ। 'ভট্টদেৱ'কে প্ৰমুখ্য কৰি 'কবিৰত্ন' তথা 'ভাগৱত ভট্টাচাৰ্য' তেওঁৰ উপাধি মাত্ৰ। ঘৰ বৰপেটাৰ বৰনগৰ অঞ্চলৰ ভেৰা গাঁৱত। পিতৃ কবি সৰস্বতী আৰু মাতৃ তাৰা দেৱীৰ দুই পুত্ৰ ক্ৰমে — জয় সৰস্বতী আৰু বৈকুণ্ঠনাথ। বৈকুণ্ঠনাথৰ জন্মৰ চন-তাৰিখ বিস্মৃতিৰ গৰ্ভত যদিও *কথা-গীতাৰ* পাতনিত হেমচন্দ্ৰ গোস্বামীয়ে উল্লেখ কৰা মতে ভট্টদেৱৰ জন্ম 1558 খ্ৰীষ্টাব্দত। আনহাতে 1638 খ্ৰীষ্টাব্দত ভট্টদেৱে নিজ হাতে গঢ়া ব্যাসকুছি সত্ৰতে শেষ নিশ্বাস ত্যাগ কৰে বুলি গোস্বামীদেৱে উল্লেখ কৰিছে। বৰ্তমানে গোস্বামীদেৱে উল্লেখ কৰা উক্ত চন দুটাকে ভট্টদেৱৰ জন্ম-মৃত্যুৰ চন হিচাপে মানি অহা হৈছে।

বৈকুণ্ঠনাথ সৰু কালৰে পৰা বিদ্যা-বুদ্ধিত প্ৰতিভাধৰ আছিল। ৰীতিসিদ্ধ শিক্ষা গ্ৰহণৰ অন্তত পণ্ডিত প্ৰৱৰ ব্যক্তিজনে প্ৰথমে গোপালদেৱৰ ওচৰত শৰণ লয়। তাতেই তেওঁ ব্যাকৰণ, কাব্য, স্মৃতি, *ভাগৱতকে* আদি কৰি দৰ্শন শাস্ত্ৰৰ জ্ঞান অৰ্জন কৰে। তেওঁ এফালে যেনেকৈ এজন শাস্ত্ৰজ্ঞ পণ্ডিত আছিল তেনেকৈ শাস্ত্ৰব্যাখ্যাকাৰীও (বিশেষকৈ *ভাগৱতৰ* সুব্যাখ্যাকাৰী) আছিল। যি ভাগৱতৰ সুব্যাখ্যাৰ বাবে শ্ৰোতামণ্ডলীৰ পৰা লাভ কৰিছিল 'ভাগৱত ভট্টাচাৰ্য'ৰ দৰে উপাধি। কেৱল সেয়ে নহয় ৰামৰায়ৰ *সন্তযশামৃত* মতে বৰনগৰীয়া মোড়লসকলক *ভাগৱতৰ* ব্যাখ্যাৰে মোহিত কৰাৰ বাবে তেওঁলোকে ভট্টদেৱক 'কবিৰত্ন' উপাধিও প্ৰদান কৰিছিল। পৰৱৰ্তী সময়ত পোৰাভিটী বৰপেটা সত্ৰৰ মথুৰাদাস বুঢ়া আতাৰ আহ্বান মৰ্মে *ভাগৱত* ব্যাখ্যাৰ বাবে তাতে কিছুদিন থকাৰ পিছত পিতৃৰ আজ্ঞা পালন কৰি তাৰ পৰাই পাটবাউসীলৈ গৈ দামোদৰদেৱৰ ওচৰত দ্বিতীয়বাৰৰ বাবে শৰণ লয়।

সেই সময়তে কামৰূপাধিপতি পৰীক্ষিত নাৰায়ণৰ ৰোষত পৰে দামোদৰদেৱ। দামোদৰদেৱৰ দোষ —*ভাগৱত* ব্যাখ্যাৰে প্ৰজাসকলক দেৱী পূজাৰ পৰা আঁতৰাই হৰিৰ চৰণ সেৱাত ব্ৰতী কৰোৱাতো। ৰজা পৰীক্ষিতৰ ভাষ্য —

তেহোঁ এক শৰণ লগাইলা লোকক।
শৰত কালত পূজা লোকে এৰিলেক।।
আন দেৱতাৰ নাম নুশুনয় কাণে।

ৰজাৰ আজ্ঞা — "যদি দেৱী পূজে থাকোক সেহি থান"; আৰু যদি নুপূজে সেই ঠাই

তেওঁ ত্যাগ কৰক। ৰজাৰ এনে তীক্ষ্ন সিদ্ধান্ত কটকীৰ মুখে শুনি দামোদৰদেৱে হৰি বিনে দশভূজাৰ অস্তিত্বহীনতাৰ কথা কৈ ৰাজ আজ্ঞাক প্রত্যাখ্যান কৰি কামৰূপ ত্যাগ কৰিবলৈ থিৰ কৰিলে। যোৱাৰ সময়ত দামোদৰদেৱে শিষ্য ভট্টদেৱক বিভিন্ন দিহা পৰামর্শৰ লগতে *ভাগৱতখনো* কথাবন্ধে ৰচিবলৈ নির্দেশ দিয়ে — "আৰু এক জগত ঈশ্বৰ আজ্ঞা ধৰা। কথাবন্ধে একখণ্ডে *ভাগৱত* কৰা।" সেই সময়তে পূর্বতে হাত দিয়া কথাবন্ধত ৰচনা কৰা *ভাগৱতৰ* প্রথমটি স্কন্ধ দামোদৰদেৱৰ হাতত ভট্টদেৱে অর্পণ কৰে। কিন্তু তাৰ আকাৰ বৃহৎ হোৱাত চমুৰাই ৰচনা কৰিবলৈ নির্দেশ দি দামোদৰদেৱে কোচবেহাৰলৈ গমন কৰিলে।

নীলকণ্ঠ দাসৰ চৰিত মতে এইদৰে কিছুদিন থকাৰ পিছত পাটবাউসী সত্রৰ অধিকাৰ পদৰ বাবে ভট্টদেৱৰ সৈতে ভতিজা শ্রীকৃষ্ণৰ মতান্তৰ হোৱাত দামোদৰদেৱে দুয়োজনকে 'সন্দেশ' খুজি বার্তা প্রেৰণ কৰে। শ্রীকৃষ্ণই 'চিৰালাড়ু' আৰু ভট্টদেৱে *ভাগৱতৰ* সাতস্কন্ধ গদ্যত ভাঙনি কৰি দামোদৰদেৱত অর্পণ কৰে। দামোদৰদেৱে শ্রীকৃষ্ণৰ 'চিৰালাড়ু'ক প্রত্যাখান কৰি 'সন্দেশ' স্বৰূপ ভট্টদেৱৰ *ভাগৱতখন* সাদৰে গ্রহণ কৰি ভট্টদেৱক পাটবাউসীৰ অধিকাৰ পাতি ভকতৰ হাতত তুলসীৰ মালা দি পঠিয়ালে। লগতে কৈ পঠিয়ালে যাতে *ভাগৱতৰ* বাকী থকা পাঁচ স্কন্ধও যেন অনুবাদ কৰে। আৰু এদিন বাকী থকা অংশ পূৰ কৰি লগত চাৰিজন ভকতৰ সহিতে দামোদৰদেৱৰ সমুখত উপস্থিত হয়। দামোদৰদেৱ সমন্বিতে সকলো ভকতে *ভাগৱতৰ* এই পাঁচ স্কন্ধ শুনি প্রশংসা কৰিলে।

কেৱল *ভাগৱতেই* নহয়, কবিৰত্নই পাটবাউসীত ধর্ম প্রৱর্তাই থকা কালত *শ্রীভগৱদ-গীতাখনো* কথাত লিখি ভকতৰ হাতে দামোদৰদেৱলৈ পঠিয়াই দিলে। দামোদৰদেৱে হৰি মিশ্র নামে এজনক পঠাই সোণ-ৰূপৰ অলংকাৰ, সোণৰ নৱগুণ, হাৰমালা, কুণ্ডল, বাজু, আঙুঠি, মুকুট আদি পঠিয়াই দি কবিৰত্নক ভট্টাচার্য নাম দিলে। তেতিয়াৰ পৰাই কবিৰত্ন ভট্টাচার্যদেৱ বা ভট্টদেৱ নামেৰে আখ্যায়িত হ'ল।

এইদৰে পাটবাউসী সত্রতে জীৱনৰ অধিক কাল ধর্ম প্রৱর্তাই থকাৰ পাছত দামোদৰ -দেৱৰে শিষ্য পাটোৱাৰী নামৰ এজন ভকতৰ উপদ্রৱ সহ্য কৰিব নোৱাৰি সেই ঠাই ত্যাগ কৰি ব্যাসকুছিত সত্র পাতি তাতে ৰয়গৈ; আৰু তাতেই তেওঁ বৈকুণ্ঠী হয়।

সম্পূর্ণ বৈষ্ণৱ ভাবাদর্শেৰে উদ্বুদ্ধ কথাশিল্পী বৈকুণ্ঠনাথ ভাগৱত ভট্টাচার্যৰ সাহিত্যিক কর্মৰাজিৰ এক দীঘলীয়া পৰিসংখ্যা আছে। তেওঁৰ সাহিত্যিক জীৱন পৰিক্রমাত *ভাগৱত-কথা, গীতা-কথা* আৰু *ৰত্নাৱলী-কথা* শ্রেষ্ঠ যদিও এইজনা সাহিত্যিক আন কেইবাখনো গ্রন্থৰ ৰচক। *ভক্তিসাৰ* আৰু *নন্দোৎসৱৰ* দৰে দুই-এখন গ্রন্থ তেওঁৰ হয় নে নহয় কিছু পৰিমাণে বিচার্যৰ বিষয় যদিও *শ্রীমদ্ভাক্তিবিবেক* বা *ভক্তি-বিবেক, বিষ্ণু-সহস্র নাম, প্রসঙ্গ-মালা* বা *প্রসঙ্গ-প্রণালী, গুৰু-বংশাৱলী, শৰণ-মালিকা* এই কেইখন তেওঁৰ ৰচনা বুলি ভবাৰ সামান্য হ'লেও থল আছে। একেদৰে *ভাগৱতাধিকৰণখনো* তেওঁৰ হয় নে নহয় সন্দেহৰ আৱর্তত। উল্লেখযোগ্য যে তেওঁৰ ৰচনাৰ স্পষ্ট নিদর্শন তথা প্রমাণিক গ্রন্থ তিনিখনৰ (*ভাগৱত-কথা, গীতা-কথা* আৰু *ৰত্নাৱলী-কথা*) ৰচনা শৈলীতকৈ কিন্তু পিছৰ কেইখনৰ ৰচনা শৈলী যথেষ্ট দুর্বল। ইয়াৰ বাহিৰেও নীলকণ্ঠ

দাসৰ চৰিতৰ আউনীআটি সত্ৰৰ পুথিৰ অন্তত 'দ্বিজ-ভট্টদেৱ'ৰ ভনিতাৰে এটি গুৰু-ভটিমা পোৱা গৈছে। এই ভটিমাটি মাধৱদেৱৰ গুৰু ভটিমাৰ সমপৰ্যায়ৰ।

ভট্টদেৱে সাহিত্যিক জীৱনৰ পাতনি মেলে *ভাগৱত-কথা*ৰ জৰিয়তে। দামোদৱদেৱৰ আজ্ঞা শিৰত লৈ ৰচনা কৰা গ্ৰন্থখনিত সততে 'কবিৰত্ন' নামটিকে ব্যৱহাৰ কৰা দেখা যায়। ৰচনাৰ সময় আনুমানিক 1594–96 খ্ৰীষ্টাব্দ। কামৰূপৰ সেই সময়ৰ ৰজা পৰীক্ষিতৰ নিৰ্দেশত ভট্টদেৱৰ গুৰু দামোদৱদেৱে কামৰূপ ত্যাগ কৰি কোচবিহাৰলৈ যোৱাৰ দুবছৰ মানৰ ভিতৰতে ভট্টদেৱে গ্ৰন্থখনৰ ৰচনাৰ কাম সম্পূৰ্ণ কৰে। পৰীক্ষিত ৰজা হয় 1593 খ্ৰীঃত। গতিকে তাৰ দুই বছৰ মানৰ ভিতৰত ৰচিত হ'লে 1594–96 খ্ৰীঃ মানেই হ'ব বুলি অনুমান কৰিব পাৰি।

*ভাগৱত-কথা*ৰ দৰে *গীতা-কথা*তো কবিৰত্ন নামটিকে ব্যৱহাৰ কৰিলেও দামোদৱদেৱৰ নাম এবাৰ নে দুবাৰ হে লৈছে। তালৈ চাই এইখনৰ ৰচনাৰ আজ্ঞা দামোদৱদেৱে প্ৰদান কৰা নাছিল বুলি ধাৰণা কৰা হয়। এইখন *ভাগৱত-কথা*ৰ দুবছৰ মান পিছত ৰচনা বুলি ধৰিলে ইয়াৰ ৰচনা কাল আনুমানিক 1597–1598 খ্ৰীঃ বুলি ধৰিব পাৰি। *কথা-গীতা*ৰ (*গীতা-কথা*) দৰে *শ্ৰীমদ্ভাক্তিবিবেক*খনতো দামোদৱদেৱৰ আজ্ঞা পোৱাৰ কথা উল্লেখ নাই। দামোদৱদেৱে ভট্টদেৱক *ভাগৱত-কথা* ৰচনা কৰা সময়ত আজ্ঞা দি কৈছিল— "পূৰ্বত মহাপুৰুষে (শংকৰদেৱ) দহ স্কন্ধ *ভাগৱত*ৰ পৰা কীৰ্তন, ভটিমা আদি ৰূপত সুছন্দ ছবি, দুলড়ি আদিত কবিতা কৰিছে; এতিয়া তুমি সেই ৰচনাতকৈও বেছি ধৰণে সকলোৱে বুজাকৈ এখন কথাবন্ধ কৰা।" এই আদেশ মৰ্মে শংকৰদেৱৰ ৰচনাৰ আদৰ্শ বা ধৰ্মমত দাঙি ধৰাত কৈ নব্য ৰচনা-শৈলী আৰম্ভ কৰিবলৈ কোৱাটোহে নিশ্চয়কৈ অধিক তাৎপৰ্যপূৰ্ণ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ দামোদৱদেৱে 'সন্দেশ' খুজি বাৰ্তা প্ৰেৰণ কৰাত ভট্টদেৱে কি দি পঠিয়াইছিল?

.....

প্ৰশ্ন নং ২ ঃ কাৰ আজ্ঞা লাভ কৰি ভট্টদেৱে *ভাগৱত-কথা* লিখি উলিয়াইছিল?

.....

১০.৩.১ প্ৰকৰণ গ্ৰন্থৰ ৰচক হিচাপে ভট্টদেৱ

ইতিমধ্যে আমি কৈ আহিছোঁ যে ভট্টদেৱৰ *ভক্তি-বিবেক* ভক্তি প্ৰতিপাদক এখন প্ৰকৰণ গ্ৰন্থ। এই গ্ৰন্থখন সংস্কৃত ভাষাত লিখা হৈছিল। এতিয়া প্ৰশ্ন হ'ব 'প্ৰকৰণ' গ্ৰন্থ মানে কি? প্ৰকৰণ পদটোৰ ব্যাখ্যা বিভিন্ন পণ্ডিতে ভিন ভিন ধৰণে উল্লেখ কৰিছে; যথা— প্ৰকাৰ, প্ৰভেদ, প্ৰসংগ, প্ৰস্তাৰ, বৃত্তান্ত, বিষয়, অধ্যায়, সামাজিক নাটক, নাটকৰ এটা ভাগ, পৰিচ্ছেদ, ব্যাখ্যান, আলোচনা, প্ৰয়োগ, আলোচনাযোগ্য বিষয়, অৱতৰণা,

ইত্যাদি। আমাৰ আলোচ্য পুথিখনৰ প্ৰসংগত আমি 'অধ্যায়', 'পৰিচ্ছেদ', 'ব্যাখ্যান' বা 'আলোচনাযোগ্য বিষয়'— এইকেইটা অৰ্থ গ্ৰহণ কৰিব পাৰোঁ।

প্ৰথমতে আমি 'অধ্যায়' আৰু 'পৰিচ্ছেদ' অৰ্থ দুটিকে লওঁ। আমাৰ আলোচ্য গ্ৰন্থখনত সৰ্বমুঠ 15 টা অধ্যায় বা পৰিচ্ছেদ আছে। প্ৰতিটো অধ্যায় বা পৰিচ্ছেদতে একোটি একোটি বিষয় ব্যাখ্যা কৰা হৈছে। স্মৰণ-কীৰ্ত্তন, বিষ্ণু-স্মৰণ-পাদসেৱন, অৰ্চন, বন্দন-দাস্য-সখ্য-আত্মনিবেদন এই বিষয়কেইটা গ্ৰন্থখনৰ অধ্যায় বা পৰিচ্ছেদ সমূহত বহলাই আলোচনা কৰা হৈছে। কাৰণ, এইবোৰ বিষয় বা তত্ত্ব আলোচনা নকৰিলে ভক্তিধৰ্ম বা ভক্তি মাৰ্গত আগবাঢ়িব খোজাজনৰ কণ্টকায়িত পথ সুগম হৈ নুঠে। সেইবাবে *ভক্তি-বিবেকক* 'আলোচনাযোগ্য বিষয়' সম্বলিত গ্ৰন্থও আখ্যা দিব পাৰি।

দ্বিতীয়তে প্ৰায়োগিক দিশৰ ফালৰ পৰাও গ্ৰন্থখনৰ ভূমিকা সুদূৰপ্ৰসাৰী। ভক্তি-পথত নিষ্কণ্টকভাৱে আগবাঢ়িবলৈ হ'লে ভক্তিতত্ত্বৰ ব্যাখ্যা অতিকে প্ৰয়োজনীয়। 'ব্যাখ্যা' শব্দৰ অৰ্থ বহলকৈ আলচ কৰা অথবা কোনো তত্ত্বপূৰ্ণ কথা বা সূত্ৰৰ কথাবস্তু বহলোৱা বা বিস্তৃতকৰণ। ব্যাকৰণৰ সূত্ৰৰ দৰে ভক্তিৰ সূত্ৰও অনেক ক্ষেত্ৰত সৰ্বসাধাৰণ কিয় বিশেষজনেও বুজি নাপায়। সেইবাবে ধৰ্মীয় তত্ত্বীয় কথাৰ আলোচনা বা বিস্তৃতকৰণ অপৰিহাৰ্য। *শ্ৰীমদ্ভক্তিবিবেক* গ্ৰন্থতো সূত্ৰবদ্ধ ভক্তিতত্ত্ব আলোচনা কৰা হৈছে বিস্তৃত ৰূপত।

ভক্তিতত্ত্বৰ বিষয়সমূহ প্ৰসংগ বা অনুষংগতহে আলোচনা কৰা হয় আৰু সেইবোৰৰ অনুষ্ঠান বিধি বা প্ৰয়োগ বিধিও জানিব লাগে। প্ৰকৰণৰ অৰ্থৰ সৈতে সেই প্ৰকৰণখনৰ বিষয়বস্তু প্ৰকৃত প্ৰসংগত প্ৰয়োগ কৰিব জানিলেহে সেই ভক্তিতত্ত্ব বা ভক্তি ৰহস্য উদঘাটন কৰিব পাৰি আৰু সৰ্বসাধাৰণকো এই সন্দৰ্ভত সুবিজ্ঞ কৰি তুলিব পাৰি। প্ৰয়োগতত্ত্ব ভক্তি শাস্ত্ৰ বা ভক্তি গ্ৰন্থৰ বাবে অতিকে প্ৰয়োজনীয়। ভক্তি বা ভক্তি শাস্ত্ৰৰ প্ৰয়োগ পদ্ধতিত সুদক্ষ নহ'লে ভক্তি পথত অগ্ৰসৰ হোৱা টান। প্ৰসংগক্ৰমে স্মৰণযোগ্য যে ভট্টদেৱৰ শিষ্য গোবিন্দ মিশ্ৰই এই সংস্কৃত গ্ৰন্থখন অসমীয়া পদলৈ অনুবাদ কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ মূল *ভক্তি-বিবেক* গ্ৰন্থখন কি ভাষাত লিখা হৈছিল?

.....

প্ৰশ্ন নং ৪ঃ মূল *ভক্তি-বিবেক* গ্ৰন্থখন কোনে প্ৰথমে অসমীয়া পদলৈ অনুবাদ কৰিছিল?

.....

১০.৪ *ভক্তি-বিবেকৰ* সাধাৰণ আভাস

ভক্তি-বিবেক গ্ৰন্থখনত *ভাগৱত পুৰাণৰ* বাহিৰেও অন্যান্য পুৰাণ, *ৰামায়ণ, মহাভাৰত,*

কঠ, ঈশ, শ্বেতাশ্বতৰ আদি উপনিষদ, *বিষ্ণু ধর্মোত্তৰ, সাত্বত তন্ত্র* আদিৰ অসংখ্য শ্লোক লৈ নিজৰ গ্রন্থৰ প্রতিপাদ্য বিষয় সমর্থন কৰা হৈছে। ভক্তিস্থান নির্ণয়, গুৰুশিষ্য নির্ণয়, শৰণ নির্ণয়, নাম মাহাত্ম্য, ভগৱৎ ভক্তি মাহাত্ম্য, সৎসংগ নির্ণয়, শ্রৱণ কীর্ত্তনাদি নিৰূপণ, শ্রৱণ নির্ণয়, কীর্ত্তন নির্ণয়, স্মৰণ মহিমা নির্ণয়, পাদসেৱন, অর্চ্চন নিৰূপণ, নমস্কাৰ মাহাত্ম্য, দাস্য নিৰূপণ আৰু ভগৱৎ মূর্ত্তিৰ সত্যত্ব নিৰূপণ — শীর্ষক 15 টা অধ্যায়েৰে গ্রন্থখন সজোৱা হৈছে। আমি অধ্যয়ন কৰিবলগীয়া *ভক্তি-বিবেক* পুথিখন মূল সংস্কৃতৰ পৰা আধুনিক অসমীয়া গদ্যলৈ ৰূপান্তৰিত গ্রন্থ আৰু উপেন্দ্রচন্দ্র লেখাৰুৱে এই অনুবাদটি কৰিছিল।

1621 খ্রীষ্টাব্দত ভট্টদেৱে *ভক্তি-বিবেক* গ্রন্থখনি ৰচনা কৰিছিল বুলি সাহিত্যৰ সমালোচকসকলে ঠিৰাং কৰিছে —

শ্রীমদ্দামোদৰৱৰ সদো মণ্ডপে সাধুযুক্তে তিষ্ঠন্
শ্রীকৃষ্ণদিষ্টাত্তদনুগতৱতৌ সর্বশাস্ত্রানুসাৰাৎ।
শ্রীমদ্ভক্তিৰিৱেক গ্রন্থমকৰোৎ শাকেহগ্নিৱেদেযুভি
শ্চন্দে মাঘাদিনে দিনেশ দিৱসে তেনৈৱতুয্যেদ্ধাৰি।

—এই গ্রন্থখনি ভট্টদেৱে 1543 শকৰ মাঘ মাহৰ দেওবাৰ এটিত লিখি সমাপ্ত কৰিছিল বুলি এই ভণিতাটিত উল্লেখ আছে।

মন কৰিব যে এই গ্রন্থখনিক মহাপুৰুষ শংকৰদেৱৰ *ভক্তি-ৰত্নাকৰ* অথবা বিষ্ণুপুৰী সন্ন্যাসীৰ *ভক্তি-ৰত্নাৱলী*ৰ সমকক্ষ বুলি বিবেচনা কৰা হয়। ভট্টদেৱে গ্রন্থখনিৰ আৰম্ভণিতে উল্লেখ কৰিছে —

শ্রীমদ্ভাগৱতোক্তসেৱ ভগৱৎ সেৱাপথং শাশ্বতম্
নাল্যত্রোক্তমিতীৰিতং পৰিনুদন্ শ্রুত্যর্থৱৎ শাস্ত্রতঃ।
সাৰং সাৰমুপাহৰণ প্রকুৰুতে গোৱিন্দপাদাশ্রয়াৎ
শ্রীমদ্ভক্তি বিৱেক সংগ্রহসমলং সদ্বৈষ্ণৱপ্রীতয়ে।।

— অর্থাৎ "*শ্রীমদ্ভাগৱতত* ভগৱন্ত সেৱাৰ যি সনাতন পথৰ কথা কোৱা হৈছে তাক আন ক'তো পোৱা নাই, তেনে নহয়। সেই কথাৰ মতভেদ আঁতৰাই শ্রুতিৰ দৰে মান্য আন শাস্ত্রসমূহৰ পৰা সাৰ সংগ্রহ কৰি সদ্‌বৈষ্ণৱ প্রীতিৰ কাৰণে গোবিন্দ পদ আশ্রয় কৰি অমল *ভক্তি-বিবেক* সংগ্রহ কৰিলোঁ।" এই কথাখিনিয়েই আমাক ধাৰণা প্রদান কৰে যে কিয় তেওঁ এই গ্রন্থখন ৰচনা কৰিছিল। গ্রন্থখনিৰ প্রস্তাৱনাৰ তিনিটা আৰু শেষৰ শ্লোকটো ভট্টদেৱে নিজে ৰচনা কৰা। বাকী শ্লোকসমূহৰ অধিকাংশৰে আধাৰ গ্রন্থৰ উল্লেখেৰে *ভক্তি-বিবেকত* সন্নিৱিষ্ট কৰা হৈছে। *অগস্ত্য সংহিতা, অগ্নি (আদি) পুৰাণ, আগম, ইতিহাসোত্তম, ঈশোপনিষদ, ঋগ্বেদ, কঠোপনিষদ, কাত্যায়ন সংহিতা, কুর্ম পুৰাণ, গৰুড় পুৰাণ, নৰসিংহ পুৰাণ, পদ্ম পুৰাণ, ৰৰাহ পুৰাণ, ৰামন পুৰাণ, ৰায়ু পুৰাণ, বিষ্ণু পুৰাণ, ব্রহ্মবৈৱর্ত পুৰাণ, ব্রহ্মাণ্ড পুৰাণ, ভৱিষ্যোত্তৰ পুৰাণ, ভাগৱত পুৰাণ, মার্কণ্ডেয় পুৰাণ, স্কন্ধ পুৰাণ, কৌমাৰ তন্ত্র, শ্রীমদ্ভগৱৎ গীতা, গৌতমী তন্ত্র, চাৰনস্মৃতি,*

ছান্দোগ্য উপনিষদ, জৈমিনী সংহিতা, নাৱদ সংহিতা, নাৱায়ণ কবচ, নাৱায়ণ স্মৃতি, পঞ্চৰাত্ৰ, পৰাশৰ সংহিতা, পাতঞ্জলি সংহিতা, বশিষ্ঠ সংহিতা, বিষ্ণু ধর্মোত্তৰ, বিশ্বমিত্ৰ, বৃহস্পতি ইৱশ্বানৰ সংহিতা, ব্ৰহ্মা, ব্ৰহ্মা ৰহস্য, বৌধায়ন সংহিতা, মনু সংহিতা, মহাভাৰত, মাণ্ডব্য সংহিতা, যজুৰ্বেদ, ৰামায়ণ, শ্বেতাশ্বতৰ উপনিষদ, শ্রুতি, লঘু ভাগৱত, সাত্বত তন্ত্ৰ, বশিষ্ঠ সংহিতা, বিষ্ণুৰহস্য, হয়গ্রীৱ তন্ত্ৰ, হয়গ্রীৱ পঞ্চৰাত্ৰ আগমৰ আদিৰ পৰা চয়ন কৰা বিভিন্ন শ্লোকেৰে তেওঁ বিশ্বাস কৰা বৈষ্ণৱ ধর্ম মতৰ বৈশিষ্ট্য প্ৰকাশ কৰিছে এই প্ৰকৰণ গ্ৰন্থখনত।

ভট্টদেৱে এই গ্ৰন্থখনত শাস্ত্ৰৰ যুক্তি দৰ্শাই প্ৰতিপন্ন কৰিছে যে ৰূপ ভেদে আকৃতি বা উপাধি ভেদে ভগৱানক বিভিন্নজনে বিভিন্ন অৱতাৰত পূজা-সেৱা আগবঢ়ালেও প্ৰকৃততে ভগৱান এক। কৃষ্ণ ভক্তিয়েই সকলোৰে মূল। শ্ৰৱণ-কীৰ্ত্তন আদি নৱবিধ ভক্তিৰ মহিমা, ভগৱান বিষ্ণুৰ শ্ৰেষ্ঠত্ব আদি বিষয়ক শ্লোক গ্ৰন্থখনিত শৃংখলাবদ্ধভাবে বৰ্ণনা কৰা হৈছে। লগতে তেনে শ্লোকবোৰৰ গূঢ়াৰ্থ সুন্দৰ নিভাঁজ, সহজ সংস্কৃত ভাষাত সংস্থাপন আৰু ব্যাখ্যা কৰা হৈছে। অশেষ যত্ন আৰু চেষ্টাৰে অকাট্য যুক্তি দেখুৱাই তেওঁ গ্ৰন্থখনিৰ মাজেৰে বৈষ্ণৱ মতৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ সক্ষম হৈছে। মানৱ সমাজত ভাবৰ মায়াজাল দূৰ কৰি এক সংশয়শূন্য, ভীতিগ্রস্তহীন, সুস্থিৰ আৰু সত্য পথৰ সন্ধান দিয়াটোৱেই *ভক্তি-বিবেক* গ্ৰন্থৰ মূল উদ্দেশ্য। মূল *শ্রীমদ্ভাগৱত* গ্ৰন্থ আদিৰ পৰা অকাট্য যুক্তি প্ৰদৰ্শন কৰি বৈষ্ণৱ মতৰ শ্ৰেষ্ঠত্ব তেওঁ এই *ভক্তি-বিবেকৰ* মাজেৰে প্ৰতিপন্ন কৰিছে।

ভট্টদেৱৰ *ভক্তি-বিবেক* গ্ৰন্থখনৰ এক বিশেষ ঐতিহাসিক মূল্যও আছে। বিশিষ্ট ব্ৰাহ্মণ বৈকুণ্ঠ নাথ ভট্টাচাৰ্যৰ দৃষ্টিত একশৰণ ভক্তিধর্ম কেনেকৈ ধৰা পৰিছে, তেওঁৰ গুৰু দামোদৱদেৱৰ ধর্মমতৰ আদর্শ কেনে আছিল, বৈষ্ণৱ ধর্মৰ প্ৰৱর্তক মহাপুৰুষ শংকৰদেৱৰ ধর্মৰ আদর্শৰ সৈতে ইয়াৰ কেনে সাদৃশ্য বা বৈসাদৃশ্য — এই সকলোখিনি কথা গ্ৰন্থখনিত ভট্টদেৱে পুংখানুপুংখভাবে আলোচনা কৰিছে। জীৱনৰ শেষকালছোৱাত ধর্ম-জ্ঞানপুষ্ট অভিজ্ঞতাৰে ভক্ত জীৱনৰ সাধনৰ স্বীকৃতি স্বৰূপ এই *ভক্তি-বিবেক* গ্ৰন্থখনি। গ্ৰন্থখনিত ভট্টদেৱৰ অসাধাৰণ পাণ্ডিত্য, গভীৰ অধ্যয়ন আৰু বিচাৰ-বুদ্ধিৰ পৰিচয় পোৱা যায়। বিষয়বস্তুৰ উপস্থাপন ৰীতি, বিষয়বস্তুৰ গুৰুত্বত শাস্ত্ৰৰ প্ৰমাণসহ সত্য যুক্তি আৰু ভট্টদেৱৰ পাণ্ডিত্যপূর্ণ ৰচনাৰীতিৰ বাবে *ভক্তি-বিবেকে* অসমীয়া সাহিত্যত আৰু বৈষ্ণৱ আদর্শৰ এক আদৰণীয় সৃষ্টি হিচাপে স্বীকৃতি লাভ কৰিছে। দামোদৰপন্থী বৈষ্ণৱ আদর্শ, দর্শন তথা আধ্যাত্মিক তত্ত্ব জানিবলৈ হ'লে *ভক্তি বিবেকৰ* অধ্যয়নেই যথেষ্ট।

আপুনি চাগৈ মন কৰিছে যে আমি এই আলোচনাত বাবে বাবে উল্লেখ কৰিছোঁ দামোদৰীয়া বৈষ্ণৱ আদর্শ বা দামোদৰীয়া পন্থাৰ কথা। এতিয়া প্ৰশ্ন হ'ব পাৰে দামোদৰীয়া বৈষ্ণৱ আদর্শ বা দামোদৰীয়া পন্থা মানে কি বা দামোদৱদেৱ কোন? দামোদৱদেৱ শংকৰ পৰৱর্তী এগৰাকী বৈষ্ণৱ ধর্ম প্ৰচাৰক। তেওঁ প্ৰচাৰ কৰা বৈষ্ণৱ আদর্শটোক দামোদৰীয়া বৈষ্ণৱ আদর্শ বা দামোদৰীয়া পন্থা বোলা হয়। দামোদৰীয়া সম্প্ৰদায়ৰ ধর্মৰ মূল হৈছে ভাগৱতী ধর্ম। ব্যাসদেৱে *শ্রীমদ্ভাগৱত* পুৰাণ ৰচনা কৰি শ্রীকৃষ্ণক পূর্ণব্রহ্মৰূপে 'কৃষ্ণস্তু ভগৱান স্বয়ং' —প্ৰচাৰ কৰি মনত শান্তি পাইছিল, সেই ভক্তিৰে শ্রীকৃষ্ণক পূর্ণ অৱতাৰ মানি ভক্তি সহকাৰে তেওঁতেই চিত্ত অর্পণেই হৈছে ভাগৱতী

ধর্ম। ভট্টদেৱ আছিল দামোদৱদেৱৰ এগৰাকী প্রধান শিষ্য। মহাপুৰুষ শংকৱদেৱ-মাধৱদেৱৰ ভক্তিধর্মতকৈ দামোদৱদেৱ আৰু ভট্টদেৱৰ ধর্মমত বহুতে পৃথক বুলি ক'ব খোজে আৰু বহুতে সেই কথা মানি নলয়। অৱশ্যে ধর্মমত আৰু আধ্যাত্মিক দৃষ্টি অথবা বৈদান্তিক দৃষ্টিৰ ফালৰ পৰা তেওঁলোকৰ ধর্মমতত বিভেদ থকা বুলি প্রমাণ পোৱা নাযায়; কিন্তু উপাসনাৰ পদ্ধতিত কিছু প্রভেদত্ব লক্ষ্য কৰা যায়। এই পন্থাত একশৰণ তত্ত্ব শংকৱদেৱৰ মতৰ দৰে সুদৃঢ় নহয়। অর্থাৎ কৃষ্ণই একমাত্র আৰাধ্য দেৱতা হ'লেও অন্য দেৱতাক পূজা কৰাত দোষ নাই। মাত্র অন্য দেৱতাক অর্পণ কৰা নৈবেদ্য প্রথমতে বিষ্ণু বিগ্রহক দি ল'ব লাগে। এই সম্প্রদায়ে বিষ্ণু মূর্তি পূজে আৰু মানে। দেৱ দামোদৰ গুৰুয়েও পাটবাউসী সত্রত বাসুদেৱ মূর্তি আৰু শালগ্রামৰ নিত্য পূজা-পাতল কৰিছিল। বাসুদেৱ মূর্তিকেই একমাত্র পূজনীয় গুৰু বুলি তেওঁৰ শিষ্য বংশী গোপালদেৱক কৈছিল। একার্থত ক'ব পাৰি দামোদৰীয়া সম্প্রদায়ে সাকাৰ ব্রহ্মক উপাসনা কৰে। এই সম্প্রদায়ৰ উপাস্য দেৱতা বাসুদেৱ; কিন্তু বিষ্ণু, কৃষ্ণ, গোবিন্দ, গোপাল, হৃষিকেশ আদি বিভিন্ন নামেৰে বিষ্ণুৰ উপাসনা কৰা হয়। দামোদৱদেৱৰ ধর্মমত পূজাৰ বিৰোধী নাছিল, বৈষ্ণৱ হিচাপে আছিল বলিৰ বিৰোধী। দামোদৰীয়াৰ পাত্র ভেদে দীক্ষা আৰু শৰণ দুয়ো বিধৰ প্রচলন আছে যদিও বৈষ্ণৱ মন্ত্রত দীক্ষিত হৈ পশুবলি দি দেৱ-দেৱী পূজাৰ বিৰোধী আছিল। শঙ্কৱদেৱৰ ভক্তি মতত নৱধা ভক্তিৰ ভিতৰত শ্রৱণ-কীর্ত্তনকহে শ্রেষ্ঠ বুলি ধৰা হয়। দামোদৱদেৱৰ মততো কিন্তু নৱবিধ ভক্তিকে পালন কৰা হয়। সেয়েহে ভট্টদেৱে *ভক্তি-বিবেকত* শ্রৱণ, কীর্ত্তন, স্মৰণ, অর্চ্চন, পাদসেৱন আদি ভক্তিৰ ব্যাখ্যা দাঙি ধৰিছে। 'পাদসেৱন' অধ্যায়ত ভট্টদেৱে পাদসেৱন ভক্তিৰ ওপৰত বিশেষ গুৰুত্ব প্রদান কৰিছে। দেৱমন্দিৰ মার্জনা কৰা, বিগ্রহত স্নান কৰোৱা, মালা পিন্ধোৱা, তুলসী অর্পন কৰা আদি 'পাদসেৱন' ভক্তিৰ ভিতৰুৱা। *ভক্তি-বিবেকত* কোৱা হৈছে, যিজনে বিষ্ণু মন্দিৰ মচে, তেওঁ ৰজ, তমৰ পৰা মুক্তি পায়; নৰসিংহৰ গৃহ যি সদায় মচে, তেওঁ সকলো পাপৰ পৰা মুক্তি পাই বিষ্ণুলোকত ঠাই পায়। বিষ্ণু বিগ্রহক শীতল জলেৰে স্নান কৰাব লাগে, পুষ্পদান কৰিব লাগে, চৰণত তুলসী অর্পণ কৰিব লাগে। 'পাদসেৱন ভক্তিৰ' অধ্যায় *অগ্নি পুৰাণ, নৃসিংহ পুৰাণ, স্কন্দ পুৰাণ, পদ্মপুৰাণ* আদিৰ শ্লোকেৰে সজোৱা হৈছে। 'ভক্তিস্থান নির্ণয়' অধ্যায়ত ভাৰতবর্ষক পৃথিৱীৰ সর্বশ্রেষ্ঠ পূণ্যস্থান বুলি নির্ণয় কৰা হৈছে। শেষৰ অধ্যায়টোত ভগৱন্ত মূর্ত্তিৰ সত্যত্ব নিৰূপণ কৰা হৈছে। পৰম শুদ্ধ, সচ্চিদানন্দ বিগ্রহ, প্রকৃতিতকৈ পৰ, কেৱল আনন্দ-অনুভৱ ভগৱন্তৰ বিগ্রহৰ সত্যত্ব নিৰূপণ কৰিবৰ বাবে *ভাগৱত পুৰাণ* আৰু লগতে *স্কন্দ পুৰাণ, ব্রহ্ম সংহিতা* আদিৰ শ্লোকৰ ব্যাখ্যা কৰা হৈছে।

"সকলো ইন্দ্রিয় বৃত্তিযুক্ত আনন্দ চিন্ময় সমুজ্জল বিগ্রহৰ, যাৰ অংগসমূহে জগত সমূহক সদায় দেখি থাকে, লৈ থাকে আৰু আনন্দ দিয়ে, সেই আদি পুৰুষ গোবিন্দক সদায় ভজনা কৰো।" এই মিনতিৰে ভট্টদেৱে কৈছে, কৃষ্ণৰ নির্দেশমতে এই উজ্জল গ্রন্থ তেওঁ প্রণয়ণ কৰিলে। ইয়াতে যেন ভগৱন্তৰ আৰু তেওঁৰ ভক্তসকলৰ পৰিতুষ্টি হয়। এই চমু আলোচনাৰ পৰা আপুনি নিশ্চয় ধাৰণা লাভ কৰিলে যে, অসমৰ দামোদৰপন্থী বৈষ্ণৱ সম্প্রদায়ৰ দর্শন আৰু তত্ত্ব বুজিবলৈ *ভক্তি-বিবেক* গ্রন্থৰ অধ্যয়ন কৰিলেই ইয়াৰ সকলো সাৰ বুজিবলৈ সক্ষম হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ *ভক্তি-বিবেক* গ্রন্থখন ভট্টদেৱে কেতিয়া লিখি সমাপ্ত কৰিছিল বুলি ভণিতা পেলাইছে?

.....

প্রশ্ন নং ৬ঃ দামোদৰীয়া সম্প্রদায়ে সাকাৰ ব্রহ্মক উপাসনা কৰে — কথাষাৰ শুদ্ধ নে?

.....



১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শংকৰ-মাধৱ মহাপুৰুষ দুজনাৰ অব্যৱহিত কালৰ প্রভাৱশালী কবিসকলৰ ভিতৰত ভট্টদেৱ অন্যতম। এওঁৰ পিতৃৰ নাম কবি সৰস্বতী। ভট্টদেৱৰ পিতৃ প্রদত্ত নাম বৈকুণ্ঠনাথ। 'ভট্টদেৱ'কে প্রমুখ্য কৰি 'কবিৰত্ন' তথা 'ভাগৱত ভট্টাচার্য' তেওঁৰ উপাধি মাত্র। হেমচন্দ্র গোস্বামীয়ে উল্লেখ কৰা মতে ভট্টদেৱৰ জন্ম 1558 খ্রীষ্টাব্দত। আনহাতে 1638 খ্রীষ্টাব্দত ভট্টদেৱে নিজ হাতে গঢ়া ব্যাসকুছি সত্রতে শেষ নিশ্বাস ত্যাগ কৰে বুলি গোস্বামীদেৱে উল্লেখ কৰিছে।
- সম্পূর্ণ বৈষ্ণৱ ভাবাদর্শেৰে উদ্বুদ্ধ কথাশিল্পী বৈকুণ্ঠনাথ ভাগৱত ভট্টাচার্যৰ সাহিত্যিক কর্মৰাজিৰ এক দীঘলীয়া পৰিসংখ্যা আছে। তেওঁৰ সাহিত্যিক জীৱন পৰিক্রমাত *ভাগৱত-কথা, গীতা-কথা* আৰু *ৰত্নাৱলী-কথা* শ্রেষ্ঠ যদিও এইজনা সাহিত্যিক আন কেইবাখনো গ্রন্থৰ ৰচক। *ভক্তিসাৰ* আৰু *নন্দোৎসৱৰ* দৰে দুই-এখন গ্রন্থ তেওঁৰ হয় নে নহয় কিছু পৰিমাণে বিচার্যৰ বিষয় যদিও *শ্রীমদ্ভাক্তিবিবেক* বা *ভক্তি-বিবেক, বিষ্ণু-সহস্র নাম, প্রসঙ্গ-মালা* বা *প্রসঙ্গ-প্রণালী, গুৰু-বংশাৱলী, শৱণ-মালিকা* এই কেইখন তেওঁৰ ৰচনা বুলি ভবাৰ সামান্য হ'লেও থল আছে। তেওঁৰ জীৱন আৰু কর্ম সম্পর্কে অধ্যায়টোত বহলাই আলোচনা কৰা হ'ল।
- ভট্টদেৱৰ *ভক্তি-বিবেক* ভক্তি প্রতিপাদক এখন প্রকৰণ গ্রন্থ। বেদ, উপনিষদ, পুৰাণ, সংহিতা আদি নানা গ্রন্থৰ পৰা শ্লোক সংগ্রহ কৰি তেওঁ এই গ্রন্থখনি ৰচনা কৰিছিল। এই গ্রন্থখন সংস্কৃত ভাষাত লিখা হৈছিল। এই বিষয়েও অধ্যায়টিত চমুকৈ আলোচনা কৰা হ'ল। প্রসংগক্রমে স্মৰণযোগ্য যে ভট্টদেৱৰ শিষ্য গোবিন্দ মিশ্রই এই সংস্কৃত গ্রন্থখন অসমীয়া পদলৈ অনুবাদ কৰিছিল।
- ভট্টদেৱৰ *ভক্তি-বিবেকত* নানা শাস্ত্রৰ পৰা সাৰ সংগ্রহ কৰি ভগৱানৰ সত্যাসত্য নিৰূপণ কৰা হৈছে। গ্রন্থখনিত পোন্ধৰটা পৰিচ্ছেদ আছে। *ভক্তি-বিবেক* গ্রন্থখনিত দামোদৰীয়া পন্থাৰ নিত্য-নৈমিত্তিক কর্ম, আচাৰ-ৰীতি, কর্মপন্থা, সত্রৰ ভকত তথা শিষ্যসকলৰ কর্মপন্থা আদি প্রকাশ পাইছে। অসমৰ দামোদৰপন্থী বৈষ্ণৱ সম্প্রদায়ৰ দর্শন আৰু তত্ত্ব বুজিবলৈ *ভক্তি-*

বিবেক গ্ৰন্থখনি অধ্যয়ন কৰিলেই ইয়াৰ সকলো সাৰ বুজিবলৈ সক্ষম হ'ব বুলিও সমালোচকসকলে মত পোষণ কৰে।



১০.৬ অধিক জানিবলৈ

1) গোস্বামী, উপেন্দ্ৰ নাথ [2012]; *ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ মণিমাণিক প্ৰকাশ।
2) নেওগ, মহেশ্বৰ [1963]; *শ্ৰীভাগৱত-কথা (প্ৰথম স্কন্ধ);* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্ট'ল।
3) নেওগ, মহেশ্বৰ [1986]Ê, *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* ডিব্ৰুগড় ঃ বাণীমন্দিৰ।
4) বৰ্মন, শিৱনাথ (সম্পাঃ) [1977]Ê, *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড);* উত্তৰ গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।
5) বৰা শইকীয়া, লীলাৱতী [1992]Ê, *ভাষা সাহিত্যৰ সুবাস;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।
6) ভট্টাচাৰ্য, বসন্ত কুমাৰ [1994]; *মধ্যযুগৰ সাহিত্য;* নলবাৰী ঃ সমন্বয় গ্ৰন্থালয়।
7) লেখাৰু, উপেন্দ্ৰচন্দ্ৰ (অনু.) [1990]Ê, *ভক্তি-বিবেক;* গুৱাহাটী ঃ অসমী প্ৰকাশন।
8) শৰ্মা, দেবেন্দ্ৰ নাথ [1987]Ê, *কথা-গীতা;* নলবাৰী ঃ জাৰ্নাল এম্পা'ৰিয়াম।
9) শৰ্মা, দেৱব্ৰত [1998]Ê, *পুৰণি সাহিত্যৰ সুবাস;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।
10) শৰ্মা, সত্যেন্দ্ৰনাথ [1986]Ê, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰিণ্টিং এণ্ড পাব্লিছিং।



১০.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ভট্টদেৱে *ভাগৱতৰ* সাতখণ্ড গদ্যত ভাঙনি কৰি দামোদৰদেৱত অৰ্পণ কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ গুৰু দামোদৰদেৱৰ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মূল *ভক্তি-বিবেক* গ্ৰন্থখন সংস্কৃত ভাষাত লিখা হৈছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ভট্টদেৱৰ শিষ্য গোবিন্দ মিশ্ৰই *ভক্তি-বিবেক* গ্ৰন্থখন অসমীয়া পদলৈ অনুবাদ কৰিছিল।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ভট্টদেৱে 1543 শকৰ মাঘ মাহৰ দেওবাৰ এটিত *ভক্তি-বিবেক* গ্ৰন্থখনি লিখি সমাপ্ত কৰিছিল বুলি ভণিতা পেলাইছে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।



১০.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) ব্যাসকুছি সত্ৰ কোনে প্ৰতিষ্ঠা কৰিছিল?

(খ) কিমান খ্ৰীষ্টাব্দত ভট্টদেৱে *ভক্তি-বিবেক* গ্ৰন্থখনি ৰচনা কৰিছিল বুলি সাহিত্যৰ সমালোচকসকলে ঠিৰাং কৰিছে?

(গ) *ভক্তি-বিবেক*ত কিমানটা অধ্যায় আছে?

(ঘ) *ভক্তি-বিবেক*ৰ যিজনে বিষ্ণু মন্দিৰ মচে তেওঁ কি লাভ কৰে?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া ভক্তি সাহিত্যলৈ ভট্টদেৱৰ অৱদান সম্পৰ্কে এটি টোকা লিখক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক —

(ক) প্ৰকৰণ গ্ৰন্থ হিচাপে *ভক্তি-বিবেক* (খ) দামোদৰীয়া পন্থা

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্য বা ভট্টদেৱৰ পৰিচয় দাঙি ধৰি তেওঁৰ সাহিত্য-কৃতিৰ বিষয়ে এটি নিবন্ধ যুগুত কৰক।

প্ৰশ্ন ২ ঃ *ভক্তি-বিবেক* গ্ৰন্থখনৰ বিষয়ে এটি আচল যুগুত কৰক।

প্ৰশ্ন ৩ ঃ দামোদৰদেৱৰ ভক্তিমতৰ প্ৰামাণ্য গ্ৰন্থৰূপে ভট্টদেৱৰ *ভক্তি-বিৱেক* গ্ৰন্থৰ আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ "শঙ্কৰদেৱৰ ভক্তিমতৰ লগত দামোদৰদেৱৰ ভক্তিমতৰ যি পাৰ্থক্য আছে, ভট্টদেৱৰ *ভক্তি-বিবেক*ত সি প্ৰকাশ হৈছে।" — কথাষাৰ বিশ্লেষণ কৰক।

*** ***** ***